নং. E-১১৯৬৪০

# নিয়োগ বিজ্ঞাপন

অসম চৰকাৰৰ ইং ১০/০৪/২০১৮ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/৩৯, ইং ১৯/০৭/২০১৯ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/অংশ/২৪ আৰু ইং ২৬/০৮/২০২১ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ৭৩/২০২০/৩ অনুযায়ী যোৰহাট জিলাৰ পূব/পশ্চিম/টীয়ক/মৰিয়নী ৰাজহ চক্ৰৰ অন্তৰ্গত খালী হৈ থকা মুঠ ২০টা নিম্নলিখিত গাঁওপ্ৰধান পদত নিযুক্তি দিবৰ বাবে স্থানীয় উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে।

## খালী হৈ থকা গাঁওপ্ৰধানৰ পদৰ তালিকা

| ক্ৰমিক নং | ৰাজহ চক্ৰৰ নাম | মৌজাৰ নাম | লট নং | সংশ্লিষ্ট ৰাজহ গাঁৱৰ নাম | পদৰ সংখ্যা |
|---|---|---|---|---|---|
| ১ | যোৰহাট পূব ৰাজহ চক্ৰ | চাৰিগাঁও মৌজা | ২ | কলিয়ানী পথাৰ, হুকিমৰা | ১টা |
| ২ | ঐ | চাওখাট মৌজা | ১ | দগাৰ চুক গাঁও, গৰীয়াহাবি গাঁও | ১টা |
| ৩ | যোৰহাট পশ্চিম ৰাজহ চক্ৰ | চৰাইবাহী মৌজা | ২ | ৰঙাইহাবি গাঁও, চুতিয়াকাৰী গাঁও | ১টা |
| ৪ | ঐ | চৰাইবাহী মৌজা | ৮ | গোহাঁই গাঁও, কুমাৰ গাঁও | ১টা |
| ৫ | ঐ | চৰাইবাহী মৌজা | ৫ | কঁহাৰ গাঁও | ১টা |
| ৬ | ঐ | হেজাৰী মৌজা | ২ | দুলীয়া গাঁও | ১টা |
| ৭ | ঐ | হেজাৰী মৌজা | ৩ | নাওবৈছা গাঁও | ১টা |
| ৮ | ঐ | হেজাৰী মৌজা | ১ | কুমাৰ গাঁও, মাকৰি খুঁটি দাইনি গাঁও, নতুন গোহাঁই গাঁও, পুৰণি গোহাঁই গাঁও | ১টা |
| ৯ | ঐ | হেজাৰী মৌজা | ২ | ন-কাৰী বামুণ গাঁও ৰাজতীয়া গাঁও | ১টা |
| ১০ | ঐ | হেজাৰী মৌজা | ৩ | ৰজাহাউলী গাঁও | ১টা |
| ১১ | টীয়ক ৰাজহ চক্ৰ | লাহিং মৌজা | ১ | শেনচোৱা, টিপমীয়া গাঁও | ১টা |
| ১২ | ঐ | হোলোঙাপাৰ মৌজা | ৭ | হাতীচুঙি, ৪নং জংগল ব্লক ৫ নং জংগল ব্লক, হাতীচুঙি গ্ৰাণ্ট, মাউত গাঁও | ১টা |
| ১৩ | ঐ | হোলোঙাপাৰ মৌজা | ৪,৬ | বাদুলীপুখুৰী, মাজগাঁও নপাম, গোহাঁই গাঁও | ১টা |
| ১৪ | ঐ | শিমলুগুৰি মৌজা | ৪ | দগয়া গণক, চুমৈমৰা | ১টা |
| ১৫ | ঐ | শিমলুগুৰি মৌজা | ১,৪ | বাৰেঘৰীয়া পথাৰ বাৰেঘৰীয়া ভকত গাঁও | ১টা |
| ১৬ | ঐ | টীয়ক মৌজা | ২ | কৈৱৰ্তগড় গাঁও চাংমাই গাঁও | ১টা |
| ১৭ | ঐ | টীয়ক মৌজা | ৩ | শগুনপাৰা, বৰমথাউৰি | ১টা |
| ১৮ | ঐ | গাখীৰখোৱা মৌজা | ১ | মিৰিগাঁও | ১টা |
| ১৯ | ঐ | লাহিং মৌজা | ৩ | হালোৱা পথাৰ, হালোৱা গাঁও | ১টা |
| ২০ | মৰিয়নী ৰাজহ চক্ৰ | নকাছাৰী মৌজা | ৫ | কোঁৱৰ গাঁও | ১টা |

## আবেদনকাৰীৰ তলত উল্লেখ কৰা অৰ্হতাসমূহ থাকিব লাগিব

১। আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তিৰ বাবে আবেদন কৰা গাঁৱৰ অথবা গাঁওপ্ৰধান লটৰ গাঁওসমূহৰ স্থায়ী বাসিন্দা হ'ব লাগিব।

২। অসম চৰকাৰৰ ইংৰাজী ১৯/০৭/২০১৯ তাৰিখৰ অধিসূচনা নং আৰ এল আৰ ১৮৭/২০০৭/অংশ/২৪, অনুসৰি আবেদনকাৰীৰ দুজনতকৈ অধিক সন্তান থাকিব নালাগিব। (এই অধিসূচনা জাৰি হোৱাৰ আগতে যিসকলৰ দুজনতকৈ অধিক সন্তান থকা ব্যক্তিৰ ক্ষেত্ৰত প্ৰযোজ্য নহ'ব)। **এই সন্দৰ্ভত আবেদনকাৰীয়ে শপতনামা আবেদনৰ লগত দাখিল কৰিব লাগিব লগতে আবেদনকাৰীয়ে স্পষ্টকৈ সন্তানৰ বয়স আৰু জন্মৰ তাৰিখ উক্ত শপতনামাত উল্লেখ কৰিব লাগিব।**

৩। আবেদনকাৰীৰ বয়স ০১/০১/২০২৫ তাৰিখে ন্যুনতম ৩০ বছৰ হ'ব লাগিব আৰু ৬৫ বছৰৰ উৰ্দ্ধৰ হ'ব নালাগিব/উপযুক্ত কৰ্তৃপক্ষৰ পৰা জন্মৰ প্ৰমাণ পত্ৰ. (H.S.L.C. Admit Card ইত্যাদি সংলগ্ন কৰিব লাগিব)

৪। আবেদনকাৰীৰ শিক্ষাগত অৰ্হতা ন্যুনতম দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব। (এইক্ষেত্ৰত অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড /শিক্ষা প্ৰতিষ্ঠানৰ প্ৰমাণ পত্ৰ আবেদনৰ লগত সংলগ্ন কৰি দিব লাগিব)।

৫। আবেদনকাৰী শাৰীৰিকভাৱে সক্ষম আৰু সুস্থ মস্তিস্কৰ অধিকাৰী হ'ব লাগিব।

৬। আবেদনকাৰী আৰ্থিকভাৱে দেউলীয়া হ'ব নালাগিব আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নালাগিব। (অদ্যৱধি বাকীজাঁই ঋণমুক্ত প্ৰমাণ-পত্ৰ সংলগ্ন কৰিব লাগিব)।

৭। গাঁওপ্ৰধানৰ পৰিয়ালৰ ব্যক্তিক নিযুক্তিৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব আৰু এইক্ষেত্ৰত মৌজাদাৰৰ মতামতৰ ওপৰত বিবেচনা কৰা হ'ব। (মৌজাদাৰৰ মতামত সম্বন্ধীয় প্ৰমাণ পত্ৰ সংলগ্ন কৰিব পাৰিব)।

৮। আবেদনকাৰী কোনো চৰকাৰী চাকৰিয়াল হ'ব নোৱাৰিব।

৯। আবেদনকাৰীয়ে গাঁওপ্ৰধান হিচাপে নিযুক্তি বিচৰা অঞ্চলত আবেদনকাৰীৰ নিজ নামত ভূমি/স্থাৱৰ সম্পত্তি থাকিব লাগিব। **(শেহতীয়া জমাবন্দী, মাটি থকাৰ প্ৰমাণ পত্ৰ, শেহতীয়া খাজনা আদায়ৰ ৰচিদ ইত্যাদি আবেদনৰ লগত সংলগ্ন কৰিব লাগিব)।**

১০। আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নোৱাৰিব।

১১। আবেদনকাৰী চৰকাৰী নীতি আৰু কাৰ্যসূচী ৰূপায়ণ কৰাত আৰু প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সহযোগিতা আগবঢ়োৱা ব্যক্তি হোৱাটো বাঞ্ছনীয়।

১২। আবেদনকাৰী উচ্চ মৰ্যাদাসম্পন্ন, দক্ষ আৰু সমাজৰ সন্মানীয় স্থিতিত থকা ব্যক্তি হোৱাটো বাঞ্ছনীয়।

১৩। ভোটাৰ পৰিচয় পত্ৰ, পানকাৰ্ড, পাছপ'ৰ্ট ছাইজৰ ৩ (তিনি) কপি ফটো গাঁঠি দিব লাগিব।

আবেদনকাৰীয়ে তলত উল্লেখ কৰা আবেদন প্ৰ-পত্ৰ আৰ্হিযোগে অহা ইংৰাজী ১৬/০৬/২০২৫ তাৰিখ আবেলি ৫-০০ বজালৈকে যোৰহাট জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ গাঁও প্ৰধান শাখাৰ কক্ষত কাৰ্যালয় খোলা দিনত নিৰ্দিষ্ট কৰি থোৱা বাকচত দাখিল কৰিব পাৰিব। নিৰ্দিষ্ট তাৰিখৰ পিছত কোনো আবেদন গ্ৰহণ কৰা নহ'ব।

## আবেদনৰ প্ৰ-পত্ৰৰ আৰ্হি

| | | |
|---|---|---|
| ১ | নিযুক্তিৰ বাবে আবেদন কৰা পদৰ নাম (ৰাজহ চক্ৰ, লাট নম্বৰ আৰু ৰাজহ গাঁৱৰ নাম শুদ্ধকৈ লিখাটো বাধ্যতামূলক। উক্ত তথ্য ওপৰত 'খালি হৈ থকা গাঁও প্ৰধান পদৰ তালিকা'ত উপলব্ধ আছে) | গাঁও প্ৰধান<br>জিলা ঃ যোৰহাট জিলা<br>ৰাজহ চক্ৰ ঃ<br>লাটৰ নম্বৰ ঃ<br>ৰাজহ গাঁও ঃ |
| ২ | আবেদনকাৰীৰ নাম | |
| ৩ | লিংগ (পুৰুষ/মহিলা) | |
| ৪ | জাতি | |
| ৫ | ধৰ্ম | |
| ৬ | আবেদনকাৰীৰ বয়স (০১/০১/২০২৫ তাৰিখে (H.S.L.C. Admit Card) উপযুক্ত কৰ্তৃপক্ষৰ পৰা জন্মৰ প্ৰমাণ-পত্ৰ ইত্যাদি সংলগ্ন কৰিব লাগিব | |
| ৭ | পিতা/স্বামীৰ নাম | |
| ৮ | আবেদনকাৰীৰ স্থায়ী ঠিকনা | |
| ৯ | শিক্ষাগত অৰ্হতা (এইক্ষেত্ৰত অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড /শিক্ষা প্ৰতিষ্ঠানৰ প্ৰমাণ পত্ৰ আবেদনৰ লগত সংলগ্ন কৰি দিব লাগিব)। | |
| ১০ | আবেদনকাৰীয়ে গাঁও প্ৰধান পদৰ কাৰণে আবেদন কৰা ৰাজহ গাঁৱত আবেদনকাৰীৰ নামত থকা ভূমিৰ বিৱৰণ (**শেহতীয়া জমাবন্দী, মাটি থকাৰ প্ৰমাণ পত্ৰ, শেহতীয়া খাজনা আদায়ৰ ৰচিদ ইত্যাদি**) | |
| ১১ | আবেদনকাৰীৰ নিজা সন্তানৰ সংখ্যা **এই সন্দৰ্ভত আবেদনকাৰীয়ে শপতনামা আবেদনৰ লগত দাখিল কৰিব লাগিব লগতে আবেদনকাৰীয়ে স্পষ্টকৈ সন্তানৰ বয়স আৰু জন্মৰ তাৰিখ উক্ত শপতনামাত উল্লেখ কৰিব লাগিব।** | |
| ১২ | বাকীজাঁই ঋণমুক্ত প্ৰমাণ-পত্ৰ নম্বৰ | |

**আবেদনকাৰীৰ সম্পূৰ্ণ স্বাক্ষৰ**

ওপৰত উল্লেখ কৰা অৰ্হতা আৰু প্ৰমাণ-পত্ৰসমূহ বাধ্যতামূলক। আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণ-পত্ৰসমূহ যদি ভুৱা বুলি প্ৰমাণিত হয়, তেন্তে তেখেতসকলৰ প্ৰাৰ্থিত্ব তাৎক্ষণিকভাৱে নাকচ কৰা হ'ব।

স্বাঃ/-আয়ুক্ত
যোৰহাট জিলা, যোৰহাট

DIPR/D/AT/501/4-June-25

JobAssam.in